অধ্যায়-৮ দেহ-মনৰ সম্পৰ্কঃ সমান্তৰালবাদ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ দেহ মন সম্পৰ্কে স্পি'নোজাৰ ধাৰণা
৮.৩.১ সমান্তৰালবাদ
৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৫ অধিক জানিবলৈ
৮.৬ অগ্রগতিৰ খতিয়ান
৮.৭ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- দেহ-মন সম্বন্ধে দার্শনিকৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- দেহ-মন সম্বন্ধে স্পি'নোজাৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব

৮.২ পৰিচয়

আগৰ অধ্যায়ত আপোনালোকে ডেকার্টৰ পাৰস্পৰিক ক্রিয়াবাদ সম্পৰ্কে অধ্যয়ন কৰিছে, এতিয়া এই অধ্যায়ত আপোনালোকে স্পি'নোজাই আগবঢ়োৱা সমান্তৰালবাদৰ ধাৰণা অধ্যায়ন কৰিবলৈ পাব। এই অধ্যয়ত সন্নিৱিষ্ট বিষয়সমূহ হ'ল ঃ

- দেহ-মন সম্পৰ্কে স্পি'নোজাই আগবঢ়োৱা মতামত
- সমান্তৰালবাদৰ ধাৰণা।
- সম্পৰ্কক এজন পৰিচালক (Pilot) আৰু তেওঁৰ যন্ত্রৰ লগত তুলনা কৰিব পাৰি।

৮.৩ দেহ-মন সম্পৰ্কে স্পিনোজাৰ ধাৰণা

দেহ-মনৰ আলোচনাত স্পিনোজায়ো যোগ দিছিল। তেওঁৰ দেহ-মন সম্পৰ্কীয় ধাৰণা তেওঁৰ দ্রব্যৰ ধাৰণাৰ পৰা নিঃসৃত হৈছে। তেওঁৰ মতে, ঈশ্বৰ হৈছে পৰম দ্রব্য আৰু তেওঁৰ পৰাই সকলো উদ্ভৱ হৈছে আৰু তেওঁৰ জৰিয়তে সকলো ব্যাখ্যা সম্ভৱ। গতিকে তেওঁ দেহ-মনৰ

সমস্যাটোও ঈশ্বৰৰ মাধ্যমেৰে সমাধান কৰিছে। তেওঁ দেহ আৰু মনক পৃথক বুলি স্বীকাৰ কৰা বিপৰীতে সিহঁতক একোটি মাত্ৰ পৰম দ্ৰব্য দুটা বিকাৰ (mode) বুলিহে গণ্য কৰিছে।

৮.৩.১ সমান্তৰালবাদ

স্পিনোজাৰ দেহ-মনৰ ধাৰণাক সমান্তৰালবাদ বুলি জনা যায়। তেওঁৰ মতে জড় আৰু মন অৰ্থাৎ বিস্তৃতি আৰু চেতনা, একেটা পৰম দ্ৰব্যৰ পৰম দিশ মাত্ৰ। তেওঁৰ বিপৰীতে ডেকার্টে ধাৰণা কৰিছিল যে দেহ আৰু মন দুটা স্বতন্ত্ৰ আৰু স্বনিৰ্ভৰশীল দ্ৰব্য। স্পিনোজাই ডেকার্টেৰ লগত একমত নাছিল কাৰণ স্পিনোজাৰ মতে দ্ৰব্য হৈছে এক অখণ্ড সমগ্ৰ। গতিকে দ্ৰব্য কেবল এটাহে হ'ব পাৰে; যদি একাধিক হয়, তেন্তে এটাই আনটোক সীমিত কৰিব আৰু ফলত দ্ৰব্যৰ স্বাভাৱিক প্ৰকৃতি বিনষ্ট হ'ব।

স্পিনোজাৰ মতে পাৰস্পৰিক ক্ৰিয়াবাদৰ প্ৰসঙ্গত ডেকার্টেৰ স্থিতি সন্তোষজনক নহয় কিয়নো এই ধাৰণা ডেকার্টেৰ দ্বৈত ধাৰণাৰ পৰিপন্থী। বিশেষকৈ তেওঁৰ পাচৰ কার্টেচিয়ানসকলে যেতিয়া দেহ মনৰ সম্পৰ্কক 'উপলক্ষ বাদেৰে' ব্যাখ্যা কৰিব বিচাৰিলে, তেতিয়া ডেকার্টেৰ স্থিতি পূৰ্বতকৈ বেছি দুৰ্বল হ'ল। উপলক্ষবাদৰ মতেভৌতিক দেহ চিন্তাৰ কাৰণ বা চিন্তা ভৌতিক দেহৰ কাৰণ নহয়। ইয়াৰ মতে মানসিক ক্ৰিয়াৰ অনুৰূপ দৈহিক ক্ৰিয়া আৰু দৈহিক ক্ৰিয়াৰ অনুৰূপ মানসিক ক্ৰিয়া সংঘটিত হয় ঈশ্বৰৰ দ্বাৰা। উদাহৰণ স্বৰূপে আমি যেতিয়া কওঁ, এজন মানুহে সফলভাৱে কাৰ্য সম্পাদন কৰিলে, তাৰ অৰ্থ এইটো নহয় যে মানুহজনে কামটো কৰিলে; বৰং ঈশ্বৰেহে তেওঁৰ ইচ্ছা শক্তিৰ আলমলৈ জাগতিক পৰিবৰ্তন আনিলে, অৰ্থাৎ কাৰ্যটো সম্পাদন কৰোৱালে। সেয়ে দেহ আৰু মন হৈছে ঈশ্বৰৰ চিন্তা শক্তি আৰু ক্ৰিয়া সম্পাদনৰ উপলক্ষ। দৰ্শনৰ ইতিহাসত কার্টেচিয়ানসকলৰ এই ধাৰণাক উপলক্ষবাদ বুলি জনা যায়। কিন্তু দেহ মনৰ সম্বন্ধৰ ক্ষেত্ৰত স্পিনোজাই ঈশ্বৰৰ হস্তক্ষেপ স্বীকাৰ নকৰে। গতিকে তেওঁ কার্টেচিয়ান দ্বৈত্বাদক অগ্ৰাহ্য কৰি নিজৰ সমান্তৰাল বাদৰ পোষকতা কৰে।

ফেকনাৰ ঃ ১৮০১-১৮৮৭ জার্মান অনুসন্ধানমূলক মনোবিজ্ঞানী।

এই মতবাদৰ মতে দেহ আৰু মন হৈছে একেটি পৰম দ্ৰব্যৰ দুটা বিকাৰ। একে দ্ৰব্যৰে দুটা দিশ হিচাপে সিহতৰ মাজত পাৰস্পৰিক ক্ৰিয়া সম্ভৱ নহয়। ফেকনাৰেও সমান্তৰালবাদৰ প্ৰতিনিধিত্ব কৰিলেও তেওঁ দেহ-মনক সম মৰ্যাদা প্ৰদান নকৰে; অৱশ্যে তেওঁ দুয়োটাৰে মাজত পাৰ্থক্যও স্বীকাৰ নকৰে। কিন্তু স্পিনোজাই দেহ-মনৰ পাৰ্থক্য মানি লয় আৰু দুয়োটাৰে সমান মৰ্যাদা স্বীকাৰ কৰে। ফেকনাৰে ক'ব খোজে যে প্ৰত্যেক জড় বস্তুতে চেতনা নিহীত থাকে, অৰ্থাৎ জগতৰ প্ৰত্যেক বস্তুতেই আত্মা নিহীত হৈ আছে। ফেকনাৰে এইদৰে চেতনাৰ প্ৰাধান্য আৰু জড় বস্তুৰ ওপৰত তাৰ নিয়ন্ত্ৰণ স্বীকাৰ কৰিছে । এইখিনিতে ফেকনাৰ আৰু স্পিনোজাৰ দ্ৰব্য সম্পৰ্কীয় ধাৰণাৰ অমিল আহি পৰিছে। ফেকনাৰৰ ধাৰণা সম্পূৰ্ণভাৱে সৰ্বচিত্তবাদী; (Panpsychistic) কিন্তু স্পিনোজাই দেহ আৰু মনক সমান্তৰাল বুলি স্বীকাৰ কৰি মত পোষণ কৰে যে ইহঁতৰ

সৰ্বচিত্তবাদ ঃ দৰ্শনত সৰ্বচিত্তবাদ বুলিলে বুজাই যে সকলো পদাৰ্থৰে এটা মানসিক দিশ থাকে।

এটাই আনটোৰ ওপৰত প্ৰাধান্য বিস্তাৰ নকৰে। এই মতবাদৰ মতে দেহৰ জৰিয়তে মনক বা মনৰ জৰিয়তে দেহক ব্যাখ্যা কৰিব নোৱাৰি। ইহঁত কেৱল এটা মাত্ৰ সাৰ্বজনীন সত্তা 'ঈশ্বৰ'ৰ দুটা বহিঃপ্ৰকাশ। কিন্তু একে সত্তাৰ প্ৰকাশ যদিও সিহত এটা আনটোৰ কাৰণ নহয়, বৰং সিহত পৰম দ্ৰব্য বা চৰম কাৰণৰ পৰা উদ্ভৱ হোৱা কাৰ্যহে। গতিকে সিহঁত কেবল এক অখণ্ডিত সমগ্ৰৰ দুটা দিশ। এই ভিত্তিত স্পিনোজাৰ ধাৰণাক সৰ্বচিত্ত সমান্তৰালবাদ বুলি জনা যায়।

যদি দেহ আৰু মনে পৰস্পৰ ক্ৰিয়া নকৰে, তেন্তে সিহঁতৰ মাজত সম্বন্ধ কেনেকৈ সম্ভৱ হয়? স্পিনোজাৰ মতে সিহঁতে সমান্তৰালভাৱে ক্ৰিয়া কৰে। সিহঁত নিজৰ প্ৰকৃতিত স্বতন্ত্ৰ আৰু অসীম। সিহঁতৰ এটাই আনটোৰ অবিহনে ঈশ্বৰৰ অসীমতাৰ প্ৰকাশ কৰিব পাৰে। কাৰণ ঈশ্বৰৰ অনুপম অসীম প্ৰকৃতিৰ মাজত বিস্তৃতি (দেহ) আৰু চেতনাও (মন) আছে। গতিকে এখন চছমাৰ ধেনুভেৰীয়া (Concave) আৰু দুৰাপিঠিয়া (Convex) আইনাৰ দৰে দেহ আৰু মনো একেজন ঈশ্বৰৰে দুটা অবিচ্ছেদ্য প্ৰকাশ। এটা দিশৰ পৰা ঈশ্বৰ বিস্তৃত আৰু আনটো দিশৰ পৰা তেওঁ চেতন। গতিকে দেহ আৰু মন একে ঈশ্বৰৰ দুটা অংশ আৰু সিহঁতে এটাই আনটোক হস্তক্ষেপ নকৰাকৈ সমান্তৰালকৈ ক্ৰিয়া কৰিব পাৰে। অৱশ্যে সিহঁত এটাৰ অবিহনে আনটোৰ স্বাধীন অস্তিত্ব নাই। এইদৰে স্পিনোজাৰ সমান্তৰালবাদে ভাববাদ আৰু জড়বাদক অস্বীকাৰ কৰাৰ লগতে দেহৰ ওপৰত মনৰ বা মনৰ ওপৰত দেহৰ অস্তিত্ব অস্বীকাৰ কৰিছে।

স্পিনোজাৰ সমান্তৰালবাদ গ্ৰহণযোগ্য নহয়। তেওঁৰ মতে দ্ৰব্যৰ বিস্তৃতি আৰু চেতন আছে আৰু মানব মনে এই দুটা গুণক জানিব পাৰে। কিন্তু প্ৰশ্ন হয় মানুহে কেবল দুটা গুণকহে কিয় জানিব পাৰে আৰু আনবোৰক নোৱাৰে? স্পিনোজাই এই প্ৰশ্নৰ উত্তৰত কৈছে যে সীমিত মানুহৰ ঈশ্বৰক জনাৰ ক্ষমতাও সীমিত। আনহাতে ঈশ্বৰৰ গুণসমূহ স্বৰূপগতভাৱেই যদি অসীম হয়, তেন্তে মানৱ মনৰ পৰিধি কেবল চিন্তাতেই সীমিত হ'ব নোৱাৰে; অৰ্থাৎ মানৱ মনে চিন্তাৰ পৰিধি অতিক্ৰম কৰিব লাগিব। গতিকে দেহ-মন সম্পৰ্কত স্পিনোজাৰ সমান্তৰালবাদী ধাৰণা গ্ৰহণযোগ্য নহয়।

স্পিনোজাৰ দ্বি-পক্ষ সিদ্ধান্তই কিছুমান আসোৱাহ সৃষ্টি কৰে। দেহ মনক ব্যাখ্যা কৰিবলৈ তেওঁ কেতিয়াও এটাৰ ওপৰত আনটোক প্ৰাধান্য দিয়া নাই। আনহাতে ভাববাদী পক্ষপাতৰ পৰাও তেওঁৰ ধাৰণা মুক্ত নহয়, কাৰণ তেওঁ বাৰে বাৰে কৈছে যে দ্ৰব্য হৈছে এক অখণ্ডিত সমগ্ৰ; আৰু দেহ আৰু মন দ্ৰব্যৰ দুটা দিশ। দ্ৰব্য হৈছে নিৰ্বিশেষ, অসীম, অখণ্ডিত, সমগ্ৰ আৰু সকলো বস্তুৰ আধাৰ। এই দৃষ্টিকোণৰ পৰা তেওঁৰ সমান্তৰালবাদ সন্তোষজনক নহয়।

জ্ঞান বিদ্যা সম্পৰ্কীয় ঃ জ্ঞানৰ তত্ত্বৰ লগত জড়িত। জ্ঞান বিদ্যা হ'ল দৰ্শনৰ এটা শাখা যিয়ে জ্ঞানৰ উৎপত্তি আৰু স্বৰূপৰ বিষয়ে অনুসন্ধান কৰে।

জন ল'ক ঃ (১৬৩২-১৭০৪) ইংৰাজ দাৰ্শনিক। অভিজ্ঞতাবাদৰ মূল প্ৰবৰ্তক। তেওঁৰ মতে অভিজ্ঞতাই হ'ল জ্ঞানৰ এক মাত্ৰ উৎস।

তাত্ত্বিক ঃ যি পদাৰ্থ বিজ্ঞানৰ পিছত আহে। তাত্ত্বিকৰ অৰ্থ এইটোও যে প্ৰকৃতিৰ উৰ্দ্ধত যাৰ অস্তিত্ব আছে। চমুকৈ ই সত্তাৰ অনুসন্ধান।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালী ঠাই পুৰণ কৰক

ক) স্পিনোজাৰ মতে -------- আৰু -------- দ্রব্যৰ দুটা গুণ ।

খ) স্পিনোজাৰ দেহ-মনৰ ধাৰণাক ---------- বুলি জনা যায়।

গ) স্পিনোজাৰ মতে ---------- হৈছে এক আৰু অখণ্ডিত সমগ্র।

ঘ) ------ মতে দেহ আৰু মন এক অখণ্ডিত সমগ্রৰ দুটা দিশ।

প্রশ্ন নং ২ ঃ উপলক্ষ্যবাদৰ প্রৱর্তক কোন?

.....

.....

প্রশ্ন নং ৩ ঃ সমান্তৰালবাদ কি? (১০০ টা শব্দত উত্তৰ লিখক)

.....

.....

প্রশ্ন নং ৪ ঃ স্পিনোজাৰ মতবাদক কিয় মনোদৈহিক সমান্তৰালবাদ বুলি কোৱা হয়? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন নং ৫ ঃ স্পিনোজাৰ ধাৰণা কিয় সন্তোষজনক নহয় ? (৫০ শব্দৰ ভিতৰত)

.....

.....

.....



চিন্তা-চর্চা কৰক ৮.১

আপুনি সমান্তৰালবাদ সমর্থন কৰেনে? যদি কৰে আপোনাৰ উত্তৰৰ সমর্থনত যুক্তি দি আলোচনা কৰক।



৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- দেহ আৰু মনক দুটা দ্ৰব্য হিচাপে বিবেচনা কৰাৰ পৰিৰ্তে স্পিনোজাই দেহ আৰু মনক পৰম দ্ৰব্য ঈশ্বৰৰ বিকাৰ বুলি মত পোষণ কৰে। স্পিনোজাৰ দেহ মনৰ মতবাদক সমান্তৰালবাদ বুলি জনা যায়।
- উপলক্ষবাদৰ মতেভৌতিক দেহ চিন্তাৰ কাৰণ বা চিন্তা ভৌতিক দেহৰ কাৰণ নহয়। ইয়াৰ মতে মানসিক ক্ৰিয়াৰ অনুৰূপ দৈহিক ক্ৰিয়া আৰু দৈহিক ক্ৰিয়াৰ অনুৰূপ মানসিক ক্ৰিয়া সংঘটিত হয় ঈশ্বৰৰ দ্বাৰা। উদাহৰণ স্বৰূপে আমি যেতিয়া কওঁ, এজন মানুহে সফলভাৱে কাৰ্য সম্পাদন কৰিলে, তাৰ অৰ্থ এইটো নহয় যে মানুহজনে কামটো কৰিলে; বৰং ঈশ্বৰেহে তেওঁৰ ইচ্ছা শক্তিৰ আলমলৈ জাগতিক পৰিবৰ্তন আনিলে, অৰ্থাৎ কাৰ্যটো সম্পাদন কৰোৱালে।
- এই মতবাদৰ মতে দেহৰ জৰিয়তে মনক বা মনৰ জৰিয়তে দেহক ব্যাখ্যা কৰিব নোৱাৰি। ইহঁত কেৱল এটা মাত্ৰ সাৰ্বজনীন সত্তা 'ঈশ্বৰ'ৰ দুটা বহিঃপ্ৰকাশ। কিন্তু একে সত্তাৰ প্ৰকাশ যদিও সিহত এটা আনটোৰ কাৰণ নহয়, বৰং সিহত পৰম দ্ৰব্য বা চৰম কাৰণৰ পৰা উদ্ভৱ হোৱা কাৰ্যহে। গতিকে সিহঁত কেবল এক অখণ্ডিত সমগ্ৰৰ দুটা দিশ। এই ভিত্তিত স্পিনোজাৰ ধাৰণাক সৰ্বচিত্ত সমান্তৰালবাদ বুলি জনা যায়।



৮.৫ অধিক জানিবলৈ

1. A.E. Taylor (2004) . *Elements of Metaphysics,* Surjeet Publications, Delhi.
2. C.H. Whiteley (1949). *An introduction to Metaphysics* : Methuen & Co.Ltd. London.
3. Gottfried Martin (1968) . *General Metaphysics - Its problem and Method,* George Allen & Unwin Ltd. , London.
4. Girish Baruah (2008). *Metaphysics - Problems and Perspective,* Kalyani Publishers, Guwahati.
5. J. N. Sinha (1985). *Introduction to Philosophy*. New Central Book Agency, Calcutta

6. Dutta, D.H. ( ) *Chief Currents of Contemporary philosophy* :
7. Russell, Bertsand (2001). *The Problems of philosophy*- Oxford University Press, Oxford.
8. Goswami, S.P. (2006). *Persons A Starwsonian Study :* Guwahati : Anwesha
9. Thrilly, Mark (.....) A History of Western Philosophy,.....
10. Shaffer A. Jerome (1968). Philosophy of Mind, U.S.A Prentice-Hall, Inc., Eaglewood Cliffs, N.J.

অসমীয়া গ্ৰন্থ

১। ভট্টাচার্য্য, জ্যোৎস্না দর্শনৰ পৰিচয় ঃ
২। দেৱী, অঞ্জলী পাশ্চাত্য দর্শন ঃ

৮.৬ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰঃ ক) মন, দেহ খ) পাৰস্পৰিক ক্রিয়াবাদ গ) দ্রব্য

২নং প্রশ্নৰ উত্তৰঃ ক) স্পিনোজা খ) লাইব্‌নিৎজ

৩নং প্রশ্নৰ উত্তৰঃ এই মতবাদৰ মতে দেহ আৰু মন হৈছে এক অখণ্ড সমগ্রৰ দুটা ভিন্ন দিশ। এটা দ্রব্যৰ দুটা দিশ হিচাপে দেহ আৰু মনে পৰস্পৰ ক্রিয়া প্রতিক্রিয়া কৰিব নোৱাৰে। বৰং দুয়োটাই এটাৰ ওপৰত আনটোৱে প্রাধান্য নেদেখুৱাকৈ সমান্তৰালভাৱে কাম কৰে। দেহৰ জৰিয়তে মন বা মনৰ দ্বাৰা দেহৰ ক্রিয়া কলাপ ব্যাখ্যা কৰা নাযায়। সেয়ে দেহ আৰু মন এক অখণ্ড সমগ্রৰ দুটা ভিন্ন দিশ, স্পিনোজাৰ এই ধাৰণাক সমান্তৰালবাদ হিচাপে জনা যায়।

৪নং প্রশ্নৰ উত্তৰঃ স্পিনোজাৰ মতে, দেহ আৰু মন কোনোটোৱেই ইটো সিটোৰ কাৰণ হ'ব নোৱাৰে। এই ক্ষেত্রত দেহ আৰু মন এক অখণ্ড সমগ্রৰ দুটা ভিন্ন দিশ। সেয়ে স্পিনোজাৰ ধাৰণাক সর্বচিত্ত বাস্তববাদ নামে জনা যায়।

৫নং প্রশ্নৰ উত্তৰঃ স্পিনোজাৰ সমান্তৰালবাদ ভাববাদী পক্ষপাতৰ পৰা মুক্ত নহয় কাৰণ তেওঁৰ মতে দ্রব্য হৈছে এক অখণ্ড সমগ্র আৰু দেহ আৰু মন এই অখণ্ড সমগ্রৰ দুটা দিশ। ই নির্বিশেষ, অসীম, অখণ্ড, সমগ্র আৰু সকলো বস্তু এই অখণ্ড দ্রব্যৰ পৰা নিঃসৃত হৈছে। গতিকে, দৃষ্টিকোণৰ পৰা স্পিনোজাৰ কঠোৰ (Strict) সমান্তৰালবাদ গ্রহণযোগ্য নহয়।



৮.৭ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ সমান্তৰালবাদৰ সূত্ৰ দিয়ক।

(খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ স্পিনোজাৰ সমান্তৰালবাদৰ ওপৰত চমু মতামত দিয়ক ।

প্ৰশ্ন ২ঃ সৰ্বচিত্ত বাস্তৱবাদ কি? চমুকৈ আলোচনা কৰক।

(গ) চমুটোকা লিখক (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ সমান্তৰালৱাদ

(ঘ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ স্পিনোজাৰ সমান্তৰালবাদ আলোচনা কৰক ।

প্ৰশ্ন ২ঃ পাৰস্পৰিক ক্ৰিয়াবাদৰ সীমাবদ্ধতাবোৰ কি কি? আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ দেহ-মন সম্পৰ্কীয় সমান্তৰালবাদ, পাৰস্পৰিক ক্ৰিয়াবাদ আৰু পূৰ্ব প্ৰতিষ্ঠিত সামঞ্জস্যবাদৰ ভিতৰত কোনটো মতবাদক আপুনি অগ্ৰাধিকাৰ দিয়ে? আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ পাৰস্পৰিক ক্ৰিয়াবাদ আৰু সমান্তৰালবাদৰ মাজত আপুনি কিবা পাৰ্থক্য বিচাৰি পায় নেকি? আলোচনা কৰক।

*** ***** ***

কাকতৰ নাম ঃ
পাঠ্যবিষয়ৰ কোড (সাংকেতিক সংখ্যা) ঃ

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ (CIQA)

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

নগৰ কাৰ্যালয়, হাউছফেড কমপ্লেক্স, গুৱাহাটী-০৬

পাঠ্যবিষয় সন্দৰ্ভত শিক্ষাৰ্থীৰ সঁহাৰি

প্ৰিয় শিক্ষাৰ্থী,

ওপৰত উল্লেখ কৰা পাঠ্যবিষয়টোৰ সন্দৰ্ভত আপোনাৰ বহুমূলীয়া মতামত আৰু মন্তব্য বিচৰা হৈছে। আপোনাৰ সঁহাৰিয়ে আমাক ভৱিষ্যৎ স্ব-শিক্ষণ সামগ্ৰীবোৰৰ মান উন্নত কৰাত সহায় কৰিব। অনুগ্ৰহ কৰি তলৰ প্ৰবিৱৰণবোৰৰ বিপৰীতে আপোনাৰ মতামত উপযুক্তভাৱে প্ৰতিফলিত কৰা বিকল্পটোত চিন দিয়ক। মন্তব্যৰ সৈতে সম্পূৰ্ণ সঁহাৰি জনোৱাৰ পাছত পৃষ্ঠাটো ফালি তলৰ ঠিকনাত ডাকযোগে প্ৰেৰণ কৰে যেন।

সঞ্চালক,

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
হাউছফেডকমপ্লেক্স, দিছপুৰ, গুৱাহাটী-০৬
ই-মেইল ঠিকনা ঃ ciqa@kkhsou.in

১) পাঠ্যবিষয়ৰ অন্তৰ্ভুক্ত অধ্যায়বোৰ পঢ়িবলৈ আপুনি আনুমানিকভাৱে কিমান ঘণ্টা ব্যয় কৰিলে ? | | | |

২) খণ্ডটো অধ্যয়ন কৰাৰ অন্তত তলৰ প্ৰবিৱৰণবোৰ সন্দৰ্ভত আপোনাৰ মতামত ব্যাখ্যা কৰক (✓ চিন দিয়ক)

ক্ৰমাংক	প্ৰবিৱৰণ	দৃঢ়ভাৱে একমত	একমত	একমতো নহয় অসন্মতো নহয়	অসন্মত	দৃঢ়ভাৱে অসন্মত
i)	পাঠ্যবিষয়ৰ স্ব- শিক্ষণ সামগ্ৰীবোৰে প্ৰতিটো অধ্যায়ৰ আৰম্ভণিতে ধাৰ্য কৰি লোৱা শিক্ষণ উদ্দেশ্যবোৰ পূৰণ কৰিব পাৰিছে					
ii)	স্ব- শিক্ষণ সামগ্ৰীত সন্নিৱিষ্ট অধ্যায়বোৰে মোৰ শৈক্ষিক প্ৰয়োজনীয়তা আৰু প্ৰত্যাশা পূৰণ কৰিব পাৰিছে					
iii)	অধ্যায় লেখক/ লেখিকাসকলৰ পাঠ্যবিষয়ত সন্নিৱিষ্ট পাঠসমূহৰ উত্তম জ্ঞান আছে					
iv)	অধ্যায়বোৰত সন্নিৱিষ্ট পাঠবোৰৰ ভাষা আৰু বিষয়বস্তু মই সহজে বুজি পোৱা ধৰণে উপস্থাপন কৰা হৈছে					
v)	অধ্যায়বোৰত কাৰ্যকলাপত ভাগ ল'ব পৰাকৈ/অনুশীলনীত অংশগ্ৰহণ কৰিব পৰাকৈ পৰ্যাপ্ত সুযোগ আছে					
vi)	ধাৰণাবোৰ স্পষ্ট কৰিবলৈ পৰ্যাপ্ত চিত্ৰ (ৰেখাচিত্ৰ, তালিকা ইত্যাদি) সংলগ্ন কৰা হৈছে					
vii)	পাঠবোৰত সন্নিৱিষ্ট বিষয়বস্তুসমূহ চিত্তাকৰ্ষক, প্ৰাসংগিক আৰু শেহতীয়া তথ্যভিত্তিক					
viii)	'অগ্ৰগতি নিৰীক্ষণ' শিতানৰ প্ৰশ্নবোৰ যথেষ্ট উপযোগী					
ix)	'আৰ্হি প্ৰশ্ন' আৰু 'অগ্ৰগতিৰ খতিয়ান' শিতান দুটাই মোক যথেষ্ট উপকৃত কৰিছে					

অতিৰিক্ত মন্তব্য (অনুগ্ৰহ কৰি মুকলিমূৰীয়াকৈ মতামত আগবঢ়াওক) ঃ

১) আপোনাৰ মতে স্ব-শিক্ষণ সামগ্ৰীবোৰৰ কোনকেইটা দিশ সবাতোকৈ ফলপ্ৰসূ হৈছে?

---

২) স্ব-শিক্ষণ সামগ্ৰীবোৰৰ সামগ্ৰিক গুণ উন্নত কৰিবলৈ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কেনেধৰণৰ পৰিৱৰ্তন/উন্নতি সাধন কৰিব পাৰে বুলি আপুনি ভাবে?

প্ৰ-পত্ৰ পূৰাবলৈ সময় উলিওৱাৰ বাবে আপোনাক ধন্যবাদ জনালোঁ।